# **REGIONAL NEWS UNIT**
## AKASHVANI, GUWAHATI
0000000000

**Date :** 20-Aug-2025
**Time :** 1800 HRS

# ***Assamese Evening Bulletin***

গুৱাহাটীৰ বিশেষ টাডা আদালতে টাডা গোচৰত অভিযুক্ত ৩৮ জন আলফা সদস্যক দোষমুক্ত ঘোষণা কৰিছে। ১৯৯১ চনত দিছপুৰ আৰক্ষী থানাই পঞ্জীয়ন কৰা গোচৰ পৰৱৰ্তী পৰ্য্যায়ত সন্ত্ৰাসবাদ আৰু ধ্বংসাত্মক কাৰ্য্য-কলাপ প্ৰতিৰোধ আইন চমুকৈ টাডাৰ অধীনত ২০০১ চনত পঞ্জীয়ন কৰা হয় আৰু আলফাৰ সভাপতি অৰবিন্দ ৰাজখোৱা, সেনাধ্যক্ষ পৰেশ বৰুৱাকে ধৰি মুঠ ৪৫ জনৰ বিৰুদ্ধে গোচৰ চলোৱা হয়। সুদীৰ্ঘ ৩৫ বছৰ ধৰি চলা এই গোচৰৰ বিচাৰৰ অন্তত আদালতে ইয়াৰে ৩৮ গৰাকীক দোষমুক্ত বুলি ঘোষণা কৰে। এই দোষমুক্ত ঘোষণা কৰাসকলৰ ভিতৰত আলফা নেতা- অৰবিন্দ ৰাজখোৱা, অনুপ চেতিয়া, শশধৰ চৌধুৰী, সুনীল নাথ, কল্পজ্যোতি নেওগ, ৰাজু বৰুৱা, মুনীন নবীচ আৰু অনাদৰ ঠাকুৰীয়াও আছে। অৱশ্যে, স্বাধীনপন্থী আলফাৰ সেনাধ্যক্ষ পৰেশ বৰুৱা আৰু তেওঁৰ তিনিজন সহযোগীক আদালতে পলাতক বুলি ঘোষণা কৰে। আমাৰ গুৱাহাটীৰ সংবাদদাতাই জনোৱা মতে, আৰক্ষীয়ে এই উগ্ৰপন্থী সদস্যসকলৰ বিৰুদ্ধে ৰাষ্ট্ৰৰ বিৰুদ্ধে যুদ্ধ ঘোষণা, বলপূৰ্বক ধন দাবীকে ধৰি কেইবাটাও অভিযোগত অভিযোগনামা দাখিল কৰিছিল। সমস্ত বিচাৰ প্ৰক্ৰিয়াত আদালতে সৰ্বমুঠ ৩৭ জন সাক্ষীৰ ভাষ্য গ্ৰহণ কৰে। বিচাৰাধীন অৱস্থাতে কেইবাগৰাকীও অভিযুক্তৰ মৃত্যুও হয় বুলি আমাৰ সংবাদদাতাই জনাইছে।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বিশ্বনাথ জিলাৰ চতিয়াত পোন প্ৰথমবাৰৰ বাবে ৰাজ্য চৰকাৰৰ উদ্যোগত উদযাপন কৰা চতিয়া দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি ৫ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এখন ৰাজহুৱা উদ্যানৰ আধাৰশিলা স্থাপন কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে চতিয়া থানাত স্বাধীনতা আন্দোলনৰ ছহিদ শ্ৰদ্ধাঞ্জলি জনাই ঐতিহাসিক স্বাধীনতা সংগ্ৰামৰ স্মৃতি সোঁৱৰণ কৰে। তাৰ পাছতে মুখ্যমন্ত্ৰী ড০ শৰ্মাই চতিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আয়োজিত এখন জনসভাক সম্বোধন কৰে। এই সভাতে মুখ্যমন্ত্ৰীয়ে চতিয়াৰ স্বাধীনতা সংগ্ৰামীৰ বীৰত্বক বিষয়বস্তু হিচাপে লৈ বিধায়ক পদ্ম হাজৰিকাক এখন বোলছবি নিৰ্মাণ কৰি বলৈ আহ্বান জনায়। প্ৰয়োজন সাপেক্ষে চৰকাৰে বোলছবি নিৰ্মাণৰ বাবে আৰ্থিক সাহায্য প্ৰদান কৰিব বুলিও তেওঁ ঘোষণা কৰে।

উল্লেখযোগ্য যে ১৯৪২ চনৰ আজিৰ দিনটো চতিয়াৰ ইতিহাসত সোণালী আখৰেৰে লিখা আছে। এই দিনটোতে হাজাৰ হাজাৰ মুক্তিকামী জনতাই চতিয়া থানাত ব্ৰিটিছ ইউনিয়নৰ জেক অৱনমিত কৰি ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিছিল। এই দিনটো সুঁৱৰি চতিয়াবাসী ৰাইজে প্ৰতি বছৰে চতিয়া দিৱস হিচাপে পালন কৰি আহিছে। এইবাৰ পোন প্ৰথমবাৰৰ বাবে চৰকাৰীভাৱে চতিয়া দিৱস পালন কৰা হৈছে।

ooooo

চৰাইদেউ জিলাৰ মথুৰাপুৰত থকা ঐতিহাসিক ভূঞা পুখুৰীৰ মাটি দখল কৰি বাসগৃহ নিৰ্মাণ কৰা দুটা পৰিয়ালৰ বিৰুদ্ধে আজি চৰাইদেউ জিলা প্ৰশাসনে উচ্ছেদ চলায়। জিলা প্ৰশাসনে দখলকাৰী হিচাপে চিনাক্ত হোৱা অনু বেগম আৰু মবিদুল ইছলামৰ বাসগৃহ ভাঙি দিয়াৰ লগতে পুখুৰীৰ মাটি দখলমুক্ত কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰে। পৰিয়াল দুটাই বহু দিনৰে পৰাই ভূঞা পুখুৰীৰ মাটি দখল কৰি আছিল। যোৱা ৯ আগষ্ট তাৰিখে দখলকাৰী পৰিয়ালৰ এগৰাকী সদস্যই চৰাইদেউৰ এগৰাকী জ্যেষ্ঠ সাংবাদিকক ৰাজপথতে আক্ৰমণ কৰি অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি কৰিছিল। এই

ঘটনাৰ পাছতে ঐতিহাসিক সম্পদৰ সুৰক্ষাৰ দাবীত ১১ আগষ্টত স্থানীয় দল-সংগঠনে ন্যায় বিচাৰি দখলকাৰীৰ বিৰুদ্ধে উচ্ছেদৰ দাবীৰে ঐতিহাসিক ধোদৰ আলি অৱৰোধ কৰিছিল। উল্লেখযোগ্য যে চৰাইদেউ জিলাৰ ভূঞা পুখুৰী অঞ্চলটোৰ সংস্কৃতিক আৰু ঐতিহাসিক তাৎপৰ্য গ্ৰহণ কৰা আহোম যুগৰ এটা গুৰুত্বপূৰ্ণ কীৰ্তিচিহ্ন।

০০০০০

গুৱাহাটীৰ চৰকাৰী চাৰু-কাৰু কলা মহাবিদ্যালয়ৰ নৱ-নিৰ্মিত শৈক্ষিক আৰু পুথিভঁৰাল ভৱন আজি সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই উদ্বোধন কৰে। উদ্বোধনী ভাষণত মন্ত্ৰীগৰাকীয়ে ১৯৭০ চনত প্ৰতিষ্ঠিত গুৱাহাটীৰ চৰকাৰী চাৰু-কাৰু কলা মহাবিদ্যালয়ে একো গৰাকী পৰিপূৰ্ণ শিল্পী গঢ়ি তোলাৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে বুলি প্ৰকাশ কৰে। আজি উদ্বোধন কৰা ভৱনে পৰৱৰ্তী প্ৰজন্মৰ শিল্পীসকলক উন্নত প্ৰশিক্ষণৰ সুবিধা দিয়াৰ লগতে ৰাজ্যত শিল্প সাধনাৰ উপযুক্ত পৰিৱেশ সৃষ্টিত সহায় কৰিব বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

০০০০০

সমাপ্ত